# ECHO OF HIS CALL

ASSAMESE

ECHO OF HIS CALL 1969-2019 GOLDEN JUBILEE

## তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

India's National Spiritual Newspaper

₹ 10/-

Published monthly in ENGLISH, TAMIL, MALAYALAM, TELUGU, HINDI, KANNADA, MARATHI, BENGALI, GUJARATI, ODIYA, ASSAMESE, PUNJABI, NEPALI, URDU, SINHALA & AFRIKAANS

Editor : S. SAM SELVA RAJ | 16 Languages | Associate Editor: Sis. Bornali Thapa Raj

Vol. XXII | YEAR OF OUR LORD JESUS CHRIST, JUNE 2021 | No. 1


### পবিত্ৰ বাইবেল

**এই অংশটি অনুগ্ৰহ কৰি মুখস্থ কৰক**

**প্ৰভুৰ প্ৰশংসা হওঁক !**

**গীতমালা ৯১ঃ১-১০**

১। যি মানুহে সৰ্বোপৰি জনাৰ গুপ্তস্থানত থাকে, সেইজনে সৰ্বশক্তিমানৰ ছাঁত বসতি কৰে।

২। মই যিহোৱাৰ বিষয়ে কম, "তেওঁ মোৰ আশ্ৰয় আৰু মোৰ কোঠ, মই ভাৰসা ৰখা মোৰ ঈশ্বৰ।"

৩। কিয়নো তেওঁ তোমাক ব্যাধৰ ফান্দৰপৰা উদ্ধাৰ কৰিব আৰু বিনাশক মহামাৰীৰ পৰা ৰক্ষা কৰিব।

৪। তেওঁ তেওঁৰ পাখিৰে তোমাক আবৃত কৰিব, তাতে তেওঁৰ ডেউকাৰ তলত তুমি আশ্ৰয় পাবা, তেওঁৰ সত্যতা ঢাল আৰু বাৰ্দ্ধস্বৰূপ।

৫। ৰাতিৰ আপদলৈ আৰু দিনত উৰি অহা কাড়লৈ তুমি ভয় নকৰিবা।

৬। আন্ধাৰত ফুৰা মহামাৰীলৈ আৰু দুপৰ বেলাত সংহাৰ কৰোঁতা ৰোগলৈ তুমি ভয় নকৰিবা।

৭। তোমাৰ কাষত হাজাৰ হাজাৰ লোক আৰু তোমাৰ সোঁফালে অযুত অযুত লোক পতিত হ'ব, কিন্তু সেয়ে তোমাৰ ওচৰলৈ নাহিব।

৮। কেৱল তুমি নিজ চকুৰে চাই দুষ্টবোৰৰ প্ৰতিফল দেখিবা।

৯। কিয়নো হে যিহোৱা, তুমিয়েই মোৰ আশ্ৰয়, তুমি সৰ্বোপৰি জনাক তোমাৰ বাসস্থান কৰিছা।

১০। তোমালৈ কোনো বিপদ নঘটিব আৰু তোমাৰ তম্বুৰ ওচৰলৈ কোনো উৎপাত নাহিব।

# ঈশ্বৰৰ পৰিপূৰ্ণতাৰে পূৰ্ণ হোৱা !

## Be filled with the Fullness of God!

পালক এচ, চাম ছেলভা ৰাজৰ দ্বাৰা কেন্দ্ৰীয় মণ্ডলীত বিলোৱা বাৰ্তা

*"... জ্ঞানৰ অগম্য যি খ্ৰীষ্টৰ প্ৰেম, তাক যেন জানিবলৈ পোৱা, এই কাৰণে তোমালোকক প্ৰেমত শিপা ধৰাই আৰু মূল পতাই বলৱন্ত কৰক" (ইফিচীয়া ৩ঃ১৯)*

"তেওঁ নিজ প্ৰতাপৰূপ ধনৰ দৰে নিজ আত্মাৰ দ্বাৰাই আন্তৰিক পুৰুষৰ সম্বন্ধে তোমালোকক শক্তিৰে শক্তিমন্ত হ'বলৈ দিয়ক; আৰু বিশ্বাসৰ দ্বাৰাই তোমালোকৰ হৃদয়ত খ্ৰীষ্টক বাস কৰিবলৈ দিয়ক; আৰু ঈশ্বৰৰ সকলো পৰিপূৰ্ণতালৈকে তোমালোক পৰিপূৰ্ণ হ'বলৈ, সকলো পৱিত্ৰ লোকে সৈতে যেন বহল, দীঘল, ওখ আৰু দূৰ অনুভৱ পোৱা আৰু জ্ঞানৰ অগম্য যি খ্ৰীষ্টৰ প্ৰেম, তাক যেন জানিবলৈ পোৱা, এই কাৰণে তোমালোকক প্ৰেমত শিপা ধৰাই আৰু মূল পতাই বলৱন্ত কৰক" (ইফিচীয়া ৩ঃ১৬-১৯)।

"দিয়াতে যেন আমি আৰু শিশু নহওঁ, আৰু মানুহৰ ঠগত, ধূৰ্ততাৰে ভ্ৰান্তিৰ কুকল্পনাৰে ভ্ৰান্ত হৈ ঢলং পলং কৰোঁৱা আৰু সকলো বিধ

৩ পৃষ্ঠাত চাওঁক

### এটি প্ৰিয় অনুৰুধ আমাৰ প্ৰিয় ভাই আৰু ভনীসকললৈ

আপোনালোকে জানে যে আমি বহুত ধৰণৰ অভাৱত পৰি ভীষণ হেঁচাত আছো যেনে - কৰ্মচাৰীসকলৰ বাবে দৰমহা আৰু কাগজ, কলম কিনাৰ খৰচ আৰু যাত্ৰাৰ খৰচ বহুত আছে। সাধাৰণতে আমি কেতিয়াও কাৰোপৰা আৰ্থিক সহায় নিবিচাৰে। কিন্তু এতিয়া যিবিলাকে আমাৰ এই পৰিচৰ্যাত প্ৰকৃততে সমৰ্থন জনাই আৰু প্ৰেম কৰে তেওঁলোকলৈ আমাৰ এটি বিনম্ৰ অনুৰোধ তেওঁলোকৰ দান আৰু বৰঙণি আমাৰ এই পৰিচৰ্যাত সহায় কৰিবলৈ মণি অৰ্ডাৰ, চেক বা ডিমাণ্ড ড্ৰাফ্ট, ফোনৰ যোগেদি বা এন.ই. এফ.টি, পে পাল, (চাম ছেলভা ৰাজ, Sam@echoofhiscall.org ফোন পে (9841071858) G Pay (9841071858), Western Union, Money Gram বা আন কোনো পদ্ধতিৰে আমালৈ পঠিয়াই যেন। যেতিয়া আপুনি আমালৈ সহায় পঠিয়াই তেতিয়া আপুনি এচ.এম.এচ, হোৱাটচ্এপ নতুবা ফোনৰ দ্বাৰা অনুগ্ৰহ কৰি আমাক জনাওক।

**ঈশ্বৰে আপোনাক নিশ্চয় আশীৰ্বাদ কৰিব।**

**"... কিন্তু ভায়েকে দুৰ্দশাৰ নিমিত্তে জন্ম পায়"** (হিতোপদেশ ১৭ঃ১৭)


— সম্পাদক

তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

9841071858 / 9841271858

Email : sam@echoofhiscall.org

# তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি (১৯৬৯ - ২০১৯ - সোণালী জয়ন্তী বৰ্ষ)



## আপোনালোকৰ প্ৰিয় ভাইজনৰ পৰা ...

**"আমি তোমাৰ গৃহৰ ... উত্তম দ্ৰব্যেৰে তৃপ্ত হ'ম"**
(গীতমালা ৬৫ঃ৪)



ঈশ্বৰত মোৰ প্ৰিয় ভাই আৰু ভনীসকল,

আমাৰ প্ৰিয় ত্ৰাণকৰ্তা যীচুখ্ৰীষ্ট, যিজনে তেওঁৰ বাক্যৰ দ্বাৰাই গোটেই জগতখনক নিয়ন্ত্ৰণ কৰি আছে, তেওঁক ধন্যবাদ আৰু প্ৰশংসা কৰিবলৈ মই মোৰ পৰিয়ালৰ আৰু পৰিচৰ্য্যাৰ সদস্য আৰু সদস্যাসকলৰ লগত হাতত ধৰিছো।

হয়; আমাৰ জীৱনৰ প্ৰত্যেক বিষয়ত ঈশ্বৰে আমালৈ ভাল হৈ আছে। তেওঁ ৰক্ষা কৰে, তেওঁ যোগায়, আৰু আমাৰ সকলো কঠিন পৰিস্থিতিৰ সময়ত তেওঁৰ শক্তিৰ দ্বাৰাই আমাক ক্ষমতাশীল কৰে। যোৱা মাহত আমি কভিড'-১৯ ৰ দ্বাৰাই সংক্ৰমিত হোৱাৰ সময়ত ঈশ্বৰে আমাৰ পৰিয়ালক ৰক্ষা কৰিলে। আমি আমাৰ ভাই আৰু ভনীসকলক ধন্যবাদ জনাও কিয়নো তেওঁবিলাক আমাৰ সৈতে থিয় দিলে আৰু আমাৰ কঠিন সময়ত আমাৰ বাবে তেওঁবিলাকে প্ৰাৰ্থনা কৰিলে। এই ভাই আৰু ভনীবিলাকৰ বাবেও ঈশ্বৰক ধন্যবাদ জনাও। যিবিলাকে আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পৰিচয্যাসমূহৰ কঠিন সময়ত বিভিন্ন ধৰণৰ সহায় আগবঢ়ালে আৰু প্ৰাৰ্থনাৰে সহায় কৰিলে। কৰ্মচাৰীবিলাকক দৰমহা দিয়া, কাগজ ক্ৰয় কৰা, ইত্যাদিত আমি বিষমহেঁচাৰ সন্মুখীন হৈ আছো। সাধাৰণতে আমি আনলোকক আমাৰ আৰ্থিক সহায় নিবিচাৰো। কিন্তু যিবিলাকে এই পৰিচয্যাক প্ৰকৃততে প্ৰেম কৰি তেওঁবিলাকৰ দান বৰঙনিসমূহ মণি অৰ্ডাৰ, চেক, ডিমাণ্ড ড্ৰাফ্‌ট, এন, ই, এফ, টি, পেপাল (চাম, ছেলভা, ৰাজ, sam@echoofhiscall.org), ফোন পে (৯৮৪১০৭১৮৫৮) জিপে (৯৮৪১০৭১৮৫৮), ৱেচৰ্টান ইউনিয়ন, মণিগ্ৰাম বা আন আন যিকোনো পদ্ধতিৰ যোগেদি সহায় কৰিব বিচাৰে তেওঁবিলাককহে অনুৰোধ কৰো। যেতিয়া আপুনি আমালৈ আৰ্থিক সহায় পঠাব অনুগ্ৰহ কৰি এচ, এম, এচ, হোৱাটচ এপ বা ফোনৰ যোগেদি আমাক জনাওক। যিবিলাকে আমাক সহায় কৰি আছে তেওঁবিলাকক আমি ধন্যবাদ জনাইছো। ঈশ্বৰে নিশ্চয় আপোনাক আশীৰ্বাদ কৰিব।

বৰ্তমান, ভাৰত চৰকাৰে আমাৰ বেঙ্ক একাউন্ট বন্ধ কৰি দিছে আৰু আমি এতিয়া নতুন নম্বৰ পাবলৈ অপেক্ষা কৰি আছো। গতিকে, আমাৰ পৰা আপুনি খবৰ নোপোৱা পৰ্যন্ত তলত উল্লেখিত বেঙ্ক একাউণ্টলৈ আপোনাৰ আৰ্থিক সহায় পঠাওক ঃ

SAM SELVARAJ
STATE BANK OF INDIA
Triplicate Branch, Chennai
Account No. : 10232934679
IFSC Code :SBIN 0000 249
SWIFT Code : SBI NIN BB 455

আমি আপোনালোকক অতিকৈ প্ৰেম কৰো। আমি আনন্দিত হৈছো যে আপোনালোক আমাৰ লগত ৫ টা দশক ধৰি আছে। সেই গতিকে আমি আমাৰ আলোচনী পৰিচৰ্য্যা, বিব্লেকৰ যোগাযোগ পাঠ্যক্ৰম, থিয়'ল'জীকেল যোগাযোগ পাঠ্যক্ৰম, নহিমিয়া বাইবেল কলেজ, মণ্ডলী স্থাপন, ইত্যাদি পৰিচৰ্য্যাসমূহ কোনো বাধা নোহোৱাকৈ চলাই আছো।

আপোনালোকৰ পৰা শুনিবৰ আশা কৰি "যি পুৰুষে যিহোৱাত নিৰ্ভৰ কৰে আৰু যিজনৰ বিশ্বাস-ভূমি যিহোৱা, সেই পুৰুষ ধন্য। কিয়নো তেওঁ জলৰ দাতিত ৰোৱা আৰু নদীৰ

**OUR MISSION POLICY**
We should expound and teach the contemporary generation the undiluted teachings of the ancient and early Apostles. It is the need of the hour.

**CHIEF EDITORS**
Pastor S. Sam Selva Raj
Angeline Selvakumari Henry, M.A., M.Ed.

**MANAGING EDITOR**
Pastor Alex Samson Sam, B.Th., M.Div.

**EDITORIAL BOARD**
Sis. Jesy Veena Sam
Bro. M. Paul Raj, M.A., B.Ed.
Sis. Serena Bevin, M.A., M.Phil., B.Ed.

**CORE ADVISORS**
Aud. K. Puratchivendan, M.Com., B.L.
Er. C.G.S. Babu Rao, B.Tech., M.Tech (DM)
Dr. S. Rabinder Boaz, M.S.
Dr. J.R. Jeyabalan
Adv. N. Balaji, B.Com., B.L.
Sis. Ajitha Mary, M.A.

**PUBLISHER, PRINTER & PROPRIETOR**
Pastor S. SAM SELVA RAJ
Echo of His Call Printers
10, Mohammed Abdullah 2nd Street,
Chepauk, Chennai- 600 005, India.
Phone : (+ 91- 44) 2852 8282, 2852 9293, 2854 7766
Cell : (+91) 98410 71852, 95661 31858

**E.Mail ID**
sam@echoofhiscall.org
biblecor@yahoo.co.in

**WEBSITES**
www.echoofhiscall.org /
www.echoofhiscall.com

পাৰত বহু শিপা মেলা গছৰ নিচিনা হ'ব; খৰ মাৰিলে সি ভয় নকৰিব, কিন্তু তাৰ পাত কেঁচাই থাকিব; আৰু অনাবৃষ্টিৰ বছৰতো তাৰ চিন্তা নহ'ব, আৰু গুটি নলগাকৈ নাথাকিব" (যিৰিমিয়া ১৭ঃ৭,৮)।

কভিড'-১৯ ভাইৰাছৰ প্ৰথম ঢৌটোতকৈ দ্বিতীয় ঢৌৰে অধিক হিংস্ৰতাৰে আৰু ধ্বংসাত্মকেৰে গোটেই দেশজুৰি দ্ৰুতগতিত বিস্তাৰ কৰি আছে। দেশসমূহ যেনে ভাৰত, আমেৰিকা, গ্ৰেট বৃটেইন আৰু ইউৰোপীয় দেশ সমূহৰ অধিক অঞ্চলত বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে। এনে যন্ত্ৰণাৰ সময়ত আমি প্ৰাৰ্থনা কৰাৰ বাহিৰে আন কোনো উপায় নাই। প্ৰাৰ্থনা কৰক যাতে প্ৰভু ঈশ্বৰে এই ভাইৰাছ বাঢ়ি যোৱাটো একেবাৰেই নাইকীয়া কৰিব।

আমি একেৰাহে ঈশ্বৰৰ বাহুৰ তলত আপোনাৰ সুৰক্ষাৰ বাবে প্ৰাৰ্থনা কৰি আছো। "কিয়নো তেওঁ তোমাক ব্যাধৰ ফান্দৰ পৰা উদ্ধাৰ কৰিব আৰু বিনাশক মহামাৰীৰ পৰা ৰক্ষা কৰিব" (গীতমালা ৯১ঃ৩)। ঈশ্বৰে আপোনাক আশীৰ্বাদ কৰক।

যীচু খ্ৰীষ্টত আপোনাৰ দাস
পালক এচ. চাম ছেলভা ৰাজ
আৰু এলেক্স চেমচন চাম
(+91) 98412 71858 / 98410 71858
Email:samselvaraj333@gmail.com

❖❖❖❖❖

*(প্ৰথম পৃষ্ঠাৰ পৰা)*

শিক্ষাৰূপ বতাহত ইফাল সিফাললৈ নিয়া নহওঁ, কিন্তু প্ৰেমত সত্যাৱলম্বী হৈ, যি খ্ৰীষ্ট মূৰস্বৰূপ, তেওঁৰ উদ্দেশ্যে সকলো বিষয়ত বৃদ্ধি পাওঁ" (ইফিচীয়া ৪ঃ১৪,১৫)।

## খ্ৰীষ্টিয়ান জীৱন - প্ৰথম পদক্ষেপ




প্ৰভু যীচু খ্ৰীষ্টক আমাৰ ত্ৰাণকৰ্তাৰূপে গ্ৰহণ কৰা, বাপ্তিস্ম লোৱা আৰু গীৰ্জাত অংশগ্ৰহণ কৰা; এই সকলো বিষয়বোৰে খ্ৰীষ্টিয়ান জীৱনৰ প্ৰথম পদক্ষেপক গঠন কৰে। অনেক মানুহে ইয়াৰ সৈতে থমকি ৰয়। তেওঁলোকে এজন খ্ৰীষ্টিয়ান হিচাপে সকলো বাহ্যিক আনুষ্ঠানিকতা অনুসৰণ কৰে। নামধাৰী খ্ৰীষ্টিয়ান জীৱন যাপন কৰে, যিটো সদায়েই বিপদজনক। এইটোৰেই যিকোনো সময়ত বিপৰ্যয় আনিব পাৰে। সেই গতিকে আমি দ্বিতীয় পদক্ষেপলৈ যাব লাগিব। বাইবেলে কয় যে আমি আৰু শিশুৰ দৰে হৈ থাকিব নালাগে আৰু যি খ্ৰীষ্ট মূৰস্বৰূপ, তেওঁৰ উদ্দেশ্য সকলো বিষয়ত বৃদ্ধি পাব লাগে (ইফিচীয়া ৪ঃ১৪, ১৫)। গতিকে আমি বৃদ্ধি হ'ব লাগে। য'ত বৃদ্ধি নাই তাত আবদ্ধ আৰু চূড়ান্ত নষ্ট আছে। ইশ্বৰে আমাক এক মহৎ উদ্দেশ্যৰে আহবান কৰিছে। ঈশ্বৰে আমাক পশুপালকৰ দৰেও আহবান কৰা নাই। ঈশ্বৰে আব্ৰাহামক প্ৰতিমা পূজকবিলাকৰ মাজৰ পৰা আহবান কৰিছিল আৰু তেওঁতেই তেওঁ সকলো জাতিকে আশীৰ্বাদ কৰিবলৈ সন্তোষ পাইছিল। তেওঁ মোক আৰু আপোনাকো এটা মহাজাগৰণৰ বাবে মনোনীত কৰিছে। গতিকে, প্ৰথম পদক্ষেপৰ পাছত, আমি নিজকে সম্পূৰ্ণকৈ ঈশ্বৰলৈ শোধাই দিব লাগে আৰু খ্ৰীষ্টৰ বাবে জীয়াই থাকিবলৈ সিদ্ধান্ত ল'ব লাগে আৰু তেওঁৰ বাবে কাৰ্য কৰিব লাগে।

## খ্ৰীষ্টিয়ান জীৱন - দ্বিতীয় পদক্ষেপ




দ্বিতীয় পদক্ষেপত আমি তেওঁক আমাৰ মূৰস্বৰূপে গ্ৰহণ কৰো, তেওঁত শিপা ধৰা আৰু মূলযুক্ত হৈ বিশ্বাসত শক্তিশালী হওঁ। আমি আমাৰ দৰ্শন, আমাৰ অভিজ্ঞতা আৰু আমি গ্ৰহণ কৰা জ্ঞানৰ দ্বাৰাই বৃদ্ধি হ'ব লাগে। আত্মাই আমাক স্পষ্টকৈ কয় যে আমি বাঢ়ি যোৱা শিশুৰ দৰে হ'ব লাগে। যি বাৰ্তা মই আপোনালোকৰ সৈতে প্ৰকাশ কৰি আছো, আপোনালোকৰ আত্মিক জীৱনক শক্তি যোগাব আৰু এই পৃথিৱীত তেওঁৰ বাবে মহান কাৰ্য কৰিবলৈ এটা সুযোগ যোগাব।

## ১। তেওঁতেই শিপা ধৰি থাকক



"এতেকে তোমালোকে খ্ৰীষ্টক, অৰ্থাৎ প্ৰভু যীচুক যেনেকৈ গ্ৰহণ কৰিলা, তেনেকৈ তেওঁতেই চলা আৰু তেওঁতেই শিপা ধৰি, যেনেকৈ শিক্ষা পাইছিলা, তেনেকৈ তেওঁত গঁথা হৈ আৰু বিশ্বাসত থিৰ হৈ ধন্যবাদত উপচি পৰা" (কলচীয়া ২ঃ৬,৭)।

খ্ৰীষ্টিয়ান জীৱনটো এটা ভণ্ডামি পূৰ্ণ বাহ্যিক জীৱন নহয়। খ্ৰীষ্টিয়ান জীৱনটো এনে এটা জীৱন হয় যিয়ে পৰিৱৰ্তন কৰে, প্ৰতিদিনে পৰিৱৰ্তন হৈ থাকে আৰু গছৰ দৰে বাঢ়িবলৈ সমৰ্পিত হয়। যেতিয়া আমি এটা গছপুলি মাটিত ৰুওঁ, ইয়ে মাটিৰ পৰা পানী আৰু আন আন খাদ্য গ্ৰহণ কৰে আৰু বায়ু আৰু সূৰ্যৰ পোহৰৰ সৈতে ইয়ে শুদ্ধকৈ অৰ্জন কৰে। ঠিক একেদৰে, এজন খ্ৰীষ্টিয়ান লোকে, যিজনে প্ৰভু যীচুক খ্ৰীষ্টক গ্ৰহণ কৰিছে, তেওঁত গভীৰকৈ শিপাৰ দৰে ধৰি থাকে। এবাৰ আপুনি গভীৰকৈ খ্ৰীষ্টত শিপাৰ দৰে লাগি থাকিব, আপুনি পৃথিৱীত থকা যিকোনো প্ৰত্যাহবানৰ সন্মুখীন হ'ব পাৰিব আৰু পৃথিৱীৰ বন্য ধুমুহাই আপোনাৰ ওপৰত অধিকাৰ কৰিব নোৱাৰিব। আপোনাৰ জীৱনৰ সকলো কঠিন চেষ্টাবোৰ, দুখ-কষ্টবোৰ, বিশ্বাসঘাতবোৰ আৰু সন্দেহবোৰক আপুনি পৰাজয় কৰিব পাৰিব। গছে অত্যাৱশ্যক পুষ্টি পাবলৈ ইয়াৰ শিপাবোৰক গভীৰতালৈ প্ৰেৰণ কৰে, ঠিক একেদৰে আমি ঈশ্বৰৰ জ্ঞানত গভীৰতালৈ বৃদ্ধি হ'ব লাগে। গছৰ ডালবোৰে, অৰ্থাৎ প্ৰভু যীচু খ্ৰীষ্টৰ সৈতে দৃঢ়তাৰে লাগি থাকিব লাগে।

আমি যিমানেই ঈশ্বৰৰ অনুপস্থিত ৰৈ থাকিম আৰু আমাৰ সময়বোৰক তেওঁৰ বাবে দিম, সিমানেই আমি ঈশ্বৰত শিপাধৰা হৈ থাকিম। আমি যিমানেই ঈশ্বৰৰ বাক্যক (পবিত্ৰ বাইবেল), অধ্যয়ন কৰিম আৰু এইবোৰক আমাৰ জীৱনত ব্যৱহাৰ কৰিম, সিমানেই আমি খ্ৰীষ্টত শিপাধৰা হৈ থাকিম। আমি আমাৰ বাইবেলক প্ৰেম কৰিব লাগে আৰু সন্মান কৰিব লাগে। বাইবেলক আমি পৰিষ্কাৰ আৰু উপযুক্ত ঠাইত থ'ব লাগে। আমি টকা বা ধন নিৰাপদ আৰু সুৰক্ষিত ঠাইত ৰাখো। নষ্ট হ'ব পৰা ধনতকৈ বাইবেলক অধিক গুৰুত্ব দিব লাগে। খ্ৰীষ্টত শিপাৰ দৰে ধৰি থকা মানুহক আমি দুটা ভাগত ভগাব পাৰো ঃ

১। যিবিলাকে নিজৰ জীৱনবিলাকক তেওঁলৈ সমৰ্পিত কৰে আৰু

২। যিবিলাকে নিজ ইচ্ছাক প্ৰভুলৈ সমৰ্পিত কৰে।

যিকোনোৱে নিজ চিন্তাধাৰাবোৰক, ইচ্ছাবোৰক আৰু ভৱিষ্যতৰ পৰিকল্পনাবোৰক ঈশ্বৰলৈ সমৰ্পিত কৰিছে আৰু তেওঁৰ জীৱনক তেওঁলৈ শোধাই দিছে, তেওঁৱেই খ্ৰীষ্টত শিপাৰ দৰে ধৰি আছে। যিমান দূৰলৈকে আপুনি আপোনাৰ জীৱনক ঈশ্বৰলৈ শিপা ধৰা হৈ আছে; সিমান দূৰলৈকে আপুনি আপোনাৰ জীৱনৰ আৱশ্যকবোৰক শোধাই দিব, আৰু ঈশ্বৰৰ পৰিকল্পনাৰ দ্বাৰাই পৰিচালিত হ'বলৈ তেওঁত ভাৰসা কৰিব। এটা উদ্ভিদে কেৱল একে স্থানত থাকিলেহে বাঢ়িব পাৰে আৰু উপযুক্ত যত্ন পাব পাৰে। যদি আপুনি বাৰে বাবে গছপুলি এটাক উভালি আন ঠাইত ৰুব, তেন্তে গছৰ বৃদ্ধিৰ গতি হ্ৰাস হ'ব। আমাৰ জীৱনতো আত্মাৰ চিৰস্থায়ী বৰসমূহক আৰু প্ৰকৃত বৃদ্ধিক ধৰি ৰাখিব লাগে আৰু ঈশ্বৰক অটল হৈ ধৰিব লাগে।

"এতেকে হে ভাইবিলাক, ঈশ্বৰৰ সকলো কৰুণাৰ দ্বাৰাই মই তোমালোকক এই বিনয় কৰো, তোমালোকে নিজ নিজ শৰীৰক জীৱিত, পবিত্ৰ আৰু ঈশ্বৰৰ গ্ৰহণীয় বলিস্বৰূপে উৎসৰ্গ কৰা, এয়েই তোমালোকৰ যুক্তিসংগত আৰাধনা আৰু তোমালোক জগতৰ অনুৰূপ নহ'বা, কিন্তু যিহেতে ঈশ্বৰৰ ইচ্ছা, অৰ্থাৎ উত্তম, গ্ৰহণীয় আৰু সিদ্ধ কি, তাক পৰীক্ষা কৰি জানিবা, তাৰ কাৰণে তোমালোকে নতুন মন কৰাৰ দ্বাৰাই আন ৰূপ ধৰা" (ৰোমীয়া ১২ঃ১,২)।

প্ৰথমতে, যদি আপুনি প্ৰভুত শিপা ধৰাৰ দৰে লাগি আছে, আপুনি নিজকে জীৱিত বলিস্বৰূপে উৎসৰ্গ কৰক। এইদৰে কৰিলে আপোনাৰ জীৱনক প্ৰভুলৈ সম্পূৰ্ণৰূপে উৎসৰ্গিত কৰাক বুজায়। দ্বিতীয়তে নিজৰ লাহ-বিলাহৰ দ্বাৰাই জগতৰ অনুৰূপ নহ'ব। আমি আনক আমাৰ আদৰ্শস্বৰূপে ল'ব নালাগে আৰু তেওঁবিলাকৰ জীৱনৰ পদ্ধতিবিলাকক অনুসৰণ কৰিব নালাগে। আপুনি যীচু খ্ৰীষ্টৰ ভূমিকাক নিজৰ আদৰ্শৰূপে ল'ব লাগিব। এনে ধৰণৰ জীৱনেই খ্ৰীষ্টত শিপা ধৰা জীৱন হ'ব। তেতিয়াহে আপুনি ফল দিবলৈ নিজকে পৰিৱৰ্তন কৰিব পাৰিব। আনৰ বাবে আপুনি আশীৰ্বাদ হ'ব পাৰিব আৰু এটা পৰিতৃপ্ত জীৱন জীয়াই থাকিব পাৰিব।

বৰ্তমান এই পৃথিৱীত আমাৰ বহুতৰে এটা ৰুটিন জীৱন আছে। পুৱা উঠি, এটা সৰু প্ৰাৰ্থনা কৰো, পুৱাবেলাৰ কাম-কাজবোৰ কৰো, কিবা খাওঁ, আমাৰ কৰ্মস্থলীলৈ যাওঁ। সন্ধিয়াবেলা ঘৰলৈ ঘূৰি আহো, আকৌ এবাৰ প্ৰাৰ্থনা কৰো তাৰ পাছত শুই যাওঁ। বাইবেল অধ্যয়ন কৰিবলৈ আমাৰ সময় নাথাকে। আৰাধনাৰ বাবে সময় নাথাকে আৰু ঈশ্বৰৰ বিষয়ে আৰু তেওঁৰ আচৰিত কৰ্মৰ বিষয়ে ভাবিবলৈ সময় নাথাকে, দেওবাৰে আমি পবিত্ৰ জীৱন যাপন কৰো কিন্তু সপ্তাহটোৰ আন দিনবিলাকত তেনে নকৰো। ই এটা বিপদজনক গতি। কেৱল দেওবাৰেহে আমি ঈশ্বৰক সোঁৱৰো আৰু তেওঁৰ আৰাধনা কৰো। আমাৰ এনেধৰণৰ জীৱনে ঈশ্বৰক সন্তোষ নিদিয়ে। এইটো এটা বাহ্যিক জাগতিক জীৱন হয় আৰু এটা ভণ্ডামিৰ জীৱন হয়। আজিৰ খ্ৰীষ্টিয়ানবিলাকে এনেধৰণৰ জীৱনত সন্তোষ্ট হৈ আছে। এইয়ে যথেষ্ট নহয়। আমি যীচু খ্ৰীষ্টত শিপাৰ দৰে গভীৰকৈ ধৰি থাকিব লাগে।

বাইবেলত থকা পুস্তকবোৰ পঢ়াটো ভাল কথা। বাইবেলৰ ওপৰত ভিত্তি কৰি লিখা আন পুস্তকবোৰ পঢ়াটো ভাল কথা, কিন্তু এইটোৱেই বাইবেলৰ বাবে বিকল্প হোৱা উচিত নহয়। কেৱল ইয়াৰ পৰা সহায় পাবলৈ আমি অধ্যয়ন কৰিব পাৰো। যি ব্যক্তিয়ে বাইবেলৰ ওপৰত ভিত্তি কৰি আৰাধনাৰ দৈনিক পুস্তক লিখে, তেওঁ নিজৰ অভিজ্ঞতাৰ পৰা বাক্যবোৰ লিখে। কিন্তু দিনটোৰ বাবে সেয়ে যথেষ্ট নহয়। এইটো কেৱল বাইবেলৰ বিষয়ে পঢ়িবলৈ এখন পুস্তক হয় আৰু ইয়াৰ দ্বাৰাই আমি বাইবেলৰ নিগূঢ় তত্ত্ববোৰক জানো। কেৱল সেই পুস্তকখন অধ্যয়ন কৰিলে আপোনাৰ আত্মিক জীৱনত অগ্ৰগতি হ'বলৈ যথেষ্ট নহ'ব।

তেনেধৰণৰ পুস্তকবোৰ পঢ়াৰ দ্বাৰাই কিছুমানে সন্তোষ্ট লভে আৰু কিছুমানে কৰ্মস্থলীলৈ যোৱাৰ আগতে কেলেণ্ডাৰত থকা পদটি পঢ়ে। আন কিছুমানে বাইবেলখন মেলি এটি পদ পঢ়িব আৰু ক'ব যে মই বাইবেল পঢ়িলো। যদি আপুনি এনেধৰণৰ ভণ্ডামি জীৱন জীয়াই আছে, এদিন আহিব আৰু সেইদিনাখন আপুনি ঠগ খাব। চয়তানে পৰীক্ষা কৰাৰ সময়ত যেতিয়া আপোনাৰ জীৱনত এটা ধুমুহা আহিব আৰু যেতিয়া আপুনি ঈশ্বৰৰ বাক্য নজনাত উজুটি খাব তেতিয়া আপুনি প্ৰভুত শিপাৰ দৰে গভীৰ হৈ ধৰি নথকাৰ বাবে আপুনি হেৰাই যাব। যদি আপুনি দিনত কোনো এটা উপযুক্ত সময় পোৱা নাই, তেন্তে আপুনি পুৱাবেলাতেই প্ৰভুৰ উপস্থিতিত এটা বাইবেলৰ অধ্যায় অধ্যয়ন কৰক। আৰু সেই অধ্যায়টোত লিখা বাক্যবোৰ ধ্যান কৰক। "যিহোৱা মোৰ ৰক্ষক" এই অংশটি অধ্যয়ন কৰাৰ সময়ত মনত এই প্ৰশ্নটো কৰক। মই ঈশ্বৰৰ এজন মেৰ হওঁ? মোক ঈশ্বৰে দেখুওৱা পথক অনুসৰণ কৰিছোনে?

আজি চয়তানে খ্ৰীষ্টিয়ানবিলাকৰ হাতবোৰক ধৰি ৰাখিছে আৰু তেওঁলোকক প্ৰাৰ্থনা কৰিবলৈ নিদিয়ে বা ঈশ্বৰৰ বাক্যক গুৰুত্ব দিবলৈ নিদিয়ে। আপোনালোকে একেলগে ঈশ্বৰৰ সৈতে বাইবেল অধ্যয়ন কৰক আৰু কওঁক "হে ঈশ্বৰ, অনুৰুধ কৰিছো মোক জানিবলৈ দিয়া যে মোৰ জীৱনৰ কোনটো অংশত মই পৰিৱৰ্তন হ'ব লাগে? মোৰ কি কি দুৰ্বলতাবোৰ আছে? মোৰ কি কি অপৰাধ আছে? মোৰ পাপবোৰক দেখুৱাই দিয়া।

*(পৃষ্ঠা ৬ লৈ)*

**ডাক বিভাগৰ জৰিয়তে তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ পাঠ্যক্ৰম**

**১। বিব্লিকৰ**

বাইবেলৰ সত্যতাৰ ওপৰত ভিত্তি কৰি আমি হিন্দী, ইংৰাজী আৰু তামিল ভাষাত **আপোনাৰ-বাবে-নতুন জীৱন**! নামেৰে এখন ৭০ পৃষ্ঠাজোৰা পাঠ্যক্ৰমৰ কিতাপ আগবঢ়াইছো এই পাঠ্যক্ৰমৰ অন্তত, আপুনি এখন চাৰ্টিফিকেট লাভ কৰিব। ইয়াৰ বাবে কোনো নিৰ্দিষ্ট মাচুলৰ প্ৰয়োজন নহ'ব। এই পাঠ্যক্ৰম কেৱল ভাৰতত থকা প্ৰাৰ্থীসকলৰ বাবে।

**২। থিয়'লজিকেল যোগাযোগৰ পাঠ্যক্ৰম**

পালকসকল, প্ৰচাৰকসকল আৰু খ্ৰীষ্টিয়ান নেতাসকলৰ বাবেও থিয়'লজিকেল যোগাযোগ পাঠ্যক্ৰম যাক উন্নত দূৰত্বৰ শিক্ষা বোলা হয় ল'ব পাৰিব। ১০০০ টকাৰ মাছুল লোৱা হ'ব। ১৪২ পাঠৰ ৭ খন পুস্তক পঠিওৱা হ'ব। **চাৰ্টিফিকেট ইন মিনিষ্ট্ৰি** বঁটা দিয়া হ'ব।

*অধিক জানিবৰ বাবে আমালৈ আজিয়েই লিখক*

The Chairman, Nehemiah Bible College,
Echo of His Call, 10, Mohammed Abdullah
2nd Street, Opp. Cricket Stadium,
Chepauk, Chennai - 600 005, India.
Ph. : (044) 2852 8282, 2852 9293, 2854 7766
Cell : (+91) 98410 71852, 95661 31858.
E-mail : biblecor@yahoo.co.in

GREAT COMMISSION PARTNERS
ECHO OF HIS CALL MINISTRIES
SINCE 1969

# প্ৰধান আজ্ঞাৰ অংশীদাৰসকল

**বিলোৱা** (গালাতীয়া ৬ঃ২),
**সমৰ্থন আগবঢ়োৱা** (ৰোমীয়া ১২ঃ১৩) **আৰু**
**আগবাঢ়ি যোৱা** (২ তীমথিয় ১ ঃ ৬)

## প্ৰাৰ্থনাৰ অনুৰোধবোৰ

(অনুগ্ৰহ কৰি এই তালিকাখনি উলিয়াওক, ভাজ কৰক আৰু ইয়াক আপোনাৰ বাইবেলখনৰ ভিতৰত ৰাখক আৰু নিয়মীয়াকৈ প্ৰাৰ্থনা কৰক)

**২০২১ চনৰ ১৯ মে'ৰ পৰা ২০২১ চনৰ ১৮ জুনলৈ**

### প্ৰশংসাৰ বিষয়সমূহ

মে ১৯ ঃ পৃথিৱীৰ গোটেই জাতিলৈ তেওঁৰ উপচি পৰা আশীৰ্বাদ বৰষাই দিয়াৰ বাবে প্ৰভুক প্ৰশংসা কৰো।

মে ২০ ঃ যোৱা মাহবোৰৰ খৰচবোৰত ঈশ্বৰৰ উপচি পৰা দয়াৰ বাবে।

মে ২১ ঃ কৰ্মস্থলীত থকা আৰু মিশ্বনেৰীসকল আৰু তেওঁলোকৰ পৰিয়ালবৰ্গক ঈশ্বৰে নিৰাপত্তা প্ৰদান কৰাৰ বাবে প্ৰশংসা কৰো।

মে ২২ ঃ লকডাউন হোৱাৰ আগেয়ে, যোৱা মাহত আমাৰ মুখ্য মণ্ডলীৰ কামবিলাকৰ আৰু দেওবৰীয়া আৰাধনাৰ বাবে ঈশ্বৰক প্ৰশংসা কৰো।

মে ২৩ ঃ ৰাজ্যিক সহ-পৰিচালকসকল আৰু তেওঁলোকৰ পৰিয়ালবৰ্গৰ বাবে ঈশ্বৰক প্ৰশংসা কৰো।

মে ২৪ ঃআমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি সহকাৰী সম্পাদক আৰু তেওঁলোকৰ পৰিয়ালবৰ্গৰ বাবে।

মে ২৫ ঃআমাৰ প্ৰাৰ্থনাৰ অংশীদাৰসকল, গ্ৰাহক অংশীদাৰসকল, বিশ্বাসী অংশীদাৰসকল, জীৱনজোৰা অংশীদাৰসকল আৰু মহান আজ্ঞাৰ অংশীদাৰসকল আৰু তেওঁলোকৰ পৰিয়ালবৰ্গৰ বাবে ঈশ্বৰক প্ৰশংসা কৰো।

মে ২৬ ঃ মুখ্য মণ্ডলী আৰু শাখা মণ্ডলীৰ আমাৰ পালকসকল আৰু জ্যেষ্ঠ সদস্যসকলৰ বাবে।

মে ২৭ ঃ আমাৰ মুখ্য মণ্ডলীত আৰু অধিক নতুনকৈ অহা লোকসকলক ঈশ্বৰে আশীৰ্বাদ কৰাৰ বাবে।

মে ২৮ ঃ আমাৰ শুভবাৰ্তাৰ ছপাশাল আৰু ইয়াত দক্ষ কৰ্মীসকলৰ নিয়মীয়াকৈ চলাই যোৱা কামবিলাক।

মে ২৯ ঃ আমাৰ ছেইন্ট পৌলচ মেট্ৰিকুলেশ্বন স্কুলৰ অধ্যক্ষ, শিক্ষকসকল আৰু কৰ্মচাৰীসকলৰ বাবে আমাৰ প্ৰভুৰ প্ৰশংসা কৰো।

মে ৩০ ঃ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিখন ১৭ টা ভাষাত প্ৰকাশ কৰি আমাৰ শুভবাৰ্তাৰ ছপাশালত ছপা কৰি বিভিন্ন ঠাইলৈ পঠিয়াওয়াত সমৰ্থ কৰাৰ বাবে প্ৰভুক প্ৰশংসা কৰো।

জুন ১ ঃ আমাৰ বিব্লেকৰ আৰু থিয়'ল'জিকেল যোগাযোগ পাঠ্যক্ৰমলৈ অধিক ছাত্ৰ-ছাত্ৰীক ঈশ্বৰে দান দিয়াৰ বাবে তেওঁক ধন্যবাদ জনাও।

জুন ২ ঃ সকলো ধৰণৰ কঠিন সময়ত আমাক ৰক্ষা কৰাৰ বাবে।

জুন ৩ ঃ আমাৰ জ্যেষ্ঠ পালক এচ. চাম ছেলভা ৰাজ আৰু তেওঁৰ পৰিয়ালক সকলো মন্দ শক্তিৰ পৰা নিৰাপদে ৰখাৰ বাবে ঈশ্বৰক প্ৰশংসা কৰো।

### প্ৰাৰ্থনা বিষয়সমূহ

জুন ৪ ঃ আমাৰ মাহেকীয়া খৰচ বহনৰ বাবে ঈশ্বৰলৈ প্ৰাৰ্থনা কৰোহক।

জুন ৫ ঃ আমাৰ পৰিচৰ্য্যাৰ কাৰ্য্যক্ৰমসমূহ আৰু খৰচসমূহৰ বাবে প্ৰাৰ্থনা কৰক।

জুন ৬ ঃ আমাৰ চৌহদত থকা ঘণ্টা ধৰি পৰিশ্ৰম কৰা কৰ্মচাৰী আৰু ছপাশালক সুৰক্ষিত আৰু সু-স্বাস্থ্যৰে থাকিবলৈ।

জুন ৭ ঃ আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পৰিচৰ্য্যাৰ কাৰ্য্যক্ৰমবিলাকৰ অংশীদাৰসকল আৰু ৰাজ্যিক সহ-পৰিচালকবিলাকৰ বাবে প্ৰাৰ্থনা কৰিবলৈ।

জুন ৮ ঃ আমাৰ পৰিচৰ্য্যা বিস্তাৰৰ বাবে আৰু সমস্ত পৃথিৱীত শুভবাৰ্তা বিস্তাৰৰ বাবে।

জুন ৯ ঃ আমাৰ ইংৰাজীৰ সহকাৰী সম্পাদক ভাই এম. পৌলৰাজৰ সম্পূৰ্ণ সুস্থতা লাভ কৰিবৰ বাবে আৰু তেওঁৰ শান্তিময় জীৱনৰ বাবে প্ৰাৰ্থনা কৰক।

জুন ১০ ঃ ভাৰতত শুভবাৰ্তা নোপোৱা ঠাইবিলাকত ঈশ্বৰে আমাক শুভবাৰ্তা বিলোৱাত সমৰ্থ কৰিবলৈ প্ৰাৰ্থনা কৰক।

জুন ১১ ঃ ড্ৰাগছ আসক্ত আৰু অপৰাধবোৰক সম্পূৰ্ণ গুচাবলৈ প্ৰাৰ্থনা কৰক।

জুন ১২ ঃ সকলো দেশৰ একতা আৰু শান্তিৰ বাবে প্ৰাৰ্থনা কৰক।

জুন ১৩ ঃ পৃথিৱীৰ সকলো মণ্ডলীয়ে অখণ্ডতাত শক্তিশালী হৈ থাকিবলৈ।

জুন ১৪ ঃ কভিড' ১৯ ৰ মাজতো আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ প্ৰত্যেকজনক ঈশ্বৰে সুৰক্ষিত আৰু স্বাস্থ্যবান কৰি ৰাখিবলৈ।

জুন ১৫ ঃ পৃথিৱীৰ পৰা সম্পূৰ্ণভাৱে কৰ'ণা ভাইৰাছ গুচাবলৈ ঈশ্বৰৰ দয়াৰ বাবে প্ৰাৰ্থনা কৰক।

জুন ১৬ ঃ আমাৰ কেন্দ্ৰীয় মণ্ডলী আৰু শাখা মণ্ডলী সকলো সদস্য-সদস্যাবিলাকৰ লাভালাভৰ বাবে প্ৰাৰ্থনা কৰক।

জুন ১৭ ঃ সমস্ত পৃথিৱীৰ মহিলা আৰু শিশুসকলৰ নিৰাপত্তাৰ বাবে।

জুন ১৮ ঃ আমাৰ জ্যেষ্ঠ পালক এচ. চাম ছেলভা ৰাজ আৰু তেওঁৰ পৰিয়ালবৰ্গক সকলো ধৰণৰ মন্দ শক্তিৰপৰা ৰক্ষা কৰিবলৈ প্ৰাৰ্থনা কৰক।

মই কোনদিশে গৈ আছো? মই আগবাঢ়িবলৈ হ'লে মোৰ বাবে প্ৰকৃত নিৰ্দেশবোৰ কি হ'ব? মোৰ জীৱনৰ সমস্যাবিলাকৰ বাবে তোমাৰ বাক্যবোৰে মোক কি কয়?" ঈশ্বৰৰ এজন দাসতকৈ বাইবেলে আপোনাক সঠিককৈ কয়। হালিল্লুয়া!

"কোনোৱে যেন তোমালোকক দৰ্শনবিদ্যা আৰু প্ৰবঞ্চনাৰ দ্বাৰাই বন্দী কৰি নিনিয়ে, এই নিমিত্তে তালৈ সাৱধান হোৱা, সেয়ে মানুহবিলাকৰ পুৰুষে পুৰুষে চলি অহা বিধি আৰু জগতৰ প্ৰাথমিক বিধিৰ অনুৰূপ; খ্ৰীষ্টৰ অনুৰূপ নহয়" (কলচীয়া ২ঃ৮)।

গতিকে পৃথিৱীৰ মানুহৰ প্ৰবঞ্চনা আৰু দৰ্শনবিদ্যাৰ বাবে আজি বহুত মানুহৰ জীৱন নষ্ট হৈ গৈ আছে। যেতিয়া আপুনি নিয়মীয়াকৈ বাইবেলৰ অধ্যায় অধ্যায় আৰু পদে পদে অধ্যয়ন কৰে পবিত্ৰ আত্মাই আপোনালৈ কথা ক'ব। আপোনাক কাৰো সহায়ৰ প্ৰয়োজন নহ'ব বা ভৱিষ্যতৰ বাবে জানিবলৈ কোনো ঠাইলৈ যোৱাৰ প্ৰয়োজন নহ'ব। তেওঁত গভীৰকৈ শিপা ধৰা হোৱা। প্ৰবঞ্চকৰ পৰা সাৱধান হোৱা।

## ২। তেওঁত গঁথা হোৱা



বাইবেলে কয়, "...শিপা ধৰি... তেওঁত গঁথা হৈ" (কলচীয়া ২ঃ৭)।

আমি যীচুখ্ৰীষ্টত গঁথা হ'ব লাগে। আমি তেওঁৰ লগত এখন চহৰত সকলোৱে একেলগ হৈ থকাৰ দৰে গঁথা হ'ব লাগে।

"খ্ৰীষ্টৰ বাক্য সকলো জ্ঞানৰ কথাত তোমালোকত বাহুল্যৰূপে বাস কৰক। ধৰ্ম-গীত, স্তুতি-গীত আৰু আত্মিক গানেৰে পৰস্পৰে শিক্ষা আৰু চেতনা দি অনুগ্ৰহৰ কথাত নিজ নিজ হৃদয়ত ঈশ্বৰৰ উদ্দেশ্যে গান কৰা" (কলচীয়া ৩ঃ১৬)

প্ৰভুক প্ৰশংসা কৰিবলৈ আমাৰ কিমানে আনন্দেৰে গীত গায়? আমি একেলগ হৈ গঁথা হ'ব লাগে। আমাক দেখি থকা মানুহে ক'ব লাগিব যে আমি ঈশ্বৰৰ সন্তান হয়। আমি এনেদৰে গঁথা হ'ব লাগে যে যিবিলাক মানুহে আমাৰ সৈতে সম্পৰ্ক ৰাখে তেওঁবিলাকে আমাত ঈশ্বৰৰ প্ৰেম দেখা পোৱা উচিত। ঈশ্বৰক ভয় কৰা লোক এজনে এইদৰে আশীৰ্বাদপ্ৰাপ্ত হয়। আমি তেওঁত গঁথা হ'ব লাগে — যাতে আমি আনবিলাকক সেৱা আগবঢ়াব পাৰো, আনবিলাকক সহায় কৰিবলৈ আৰু শিক্ষা দিব পাৰো আৰু ইত্যাদি। তেতিয়া আমি আন লোকবিলাকৰ বাবেও আশীৰ্বাদ হ'ব পাৰিম। আজি বহুত মানুহবিলাকে তেওঁবিলাকৰ জীৱনবিলাক নিজৰ ওপৰত গাঁথিছে, নিজ ইচ্ছাৰ ওপৰত গাঁথিছে ঈশ্বৰৰ ওপৰত নহয়। সেই গতিকে তেওঁবিলাকৰ জীৱনত কোনো ফল নাথাকে আৰু বৃদ্ধি নাথাকে। সঠিক সময়ত আমি গঁথা হ'ব নোৱাৰিলে আমি ব্যৰ্থতাৰ সন্মুখীন হওঁ।

যেতিয়া আপোনাৰ জীৱনত কিছুমান সমস্যা আহিলে ইয়াৰ বাবে কেৱল ঈশ্বৰতহে ভাৰসা ৰাখিলে বিপদ হ'ব। যেতিয়া আপোনাৰ জীৱনত সকলো সুকলমে চলি আছে তেতিয়াও আপুনি ঈশ্বৰক প্ৰেম কৰিব লাগে। যেতিয়া আপুনি তেনে কৰে তেওঁত গঁথা হ'ব। যেতিয়া এজন ব্যক্তিয়ে জীৱনত তেওঁৰ ঈশ্বৰক পাহৰে তেওঁ গীৰ্জালৈ যাবলৈ বন্ধ কৰে। সকলো সুবিধা পোৱাৰ পাছতো যেতিয়া আপুনি ঈশ্বৰক ঘৃণা কৰে আপোনাৰ বিৰ্পয্যয়ৰ সময়ত কোনেও আপোনাক সহায় কৰিবলৈ নাহিব। ইয়াক আমি কেতিয়াও পাহৰা উচিত নহয়, ঈশ্বৰে আমাক কিবা এটাৰ বাবে নিযুক্তি দিছে যাক আমাক চকুৰে দেখা নাপায়। এই পৃথিৱীৰ সকলো বস্তুৰেই ধ্বংস হ'ব পাৰে কিন্তু আমাৰ বাবে যি নিৰ্দ্ধাৰিত কৰা হৈছে সেয়ে অনন্তকলীয়া। ইয়াক আমি কেতিয়াও পাহৰিব নালাগে।

আপোনাত পবিত্ৰ আত্মাৰ অভিষেক আছে আৰু আপুনি ঈশ্বৰৰ মন্দিৰ হয়। আপোনাৰ পৰিচৰ্যাৰ জীৱন কেনেকুৱা? যিবিলাকে তেওঁবিলাকৰ জীৱনত শুভবাৰ্তা প্ৰচাৰ কৰিবলৈ উৎসৰ্গিত কৰিছে আজি তেওঁবিলাকে পৰিচৰ্যাৰ পৰা পলাই গৈছে। যেতিয়া তেওঁবিলাকৰ অভাৱ আছিল ঈশ্বৰত বিশ্বাস কৰিছিল আৰু যেতিয়া তেওঁবিলাকৰ অভাৱবোৰ পূৰ হ'ল তেওঁবিলাকে ঈশ্বৰৰ সেৱা কৰাৰ পৰা পলাইছে। কিছুমান পিতৃ-মাতৃ অশান্তিত আছে কিয়নো তেওঁবিলাকৰ সন্তানবিলাক তেওঁলোকলৈ বাধ্য নহয়।

তেওঁবিলাকৰ সন্তানবিলাকে অবাধ্য হোৱাৰ কাৰণটোৱেই হৈছে পিতৃ-মাতৃসকল। বাইবেলে কয় যে যেতিয়া আমি বাইবেলক পাহৰি যাওঁ ঈশ্বৰে আপোনাৰ সন্তানবিলাকক পাহৰি যাব (হোচেয়া ৪ঃ৬)। আজি পৰিয়ালত আটাইতকৈ ডাঙৰ সমস্যাটোৱেই হৈছে তেওঁবিলাকৰ সন্তান। যেতিয়া আপোনাৰ সন্তানবিলাক সৰু হৈ আছিল তেতিয়া আপুনি তেওঁবিলাকৰ হাত ধৰি গীৰ্জালৈ অনা-নিয়া কৰিছিল আৰু যেতিয়া তেওঁলোক ডাঙৰ হয়, আপোনাৰ কথা শুনিব লাগে। যদি এনে পৰিস্থিতি আপোনাৰ পৰিয়ালত নাই তেন্তে ক'ৰবাত কিবা ভুল থাকি গ'ল। আপুনি ঈশ্বৰৰ সন্তান হয়। গতিকে আপুনি আপোনাৰ সন্তানবিলাকক ঈশ্বৰৰ ইচ্ছা মতে পোহপাল দিব লাগে। তেতিয়া আপোনাৰ সন্তানবিলাকলৈও আশীৰ্বাদ আহিব।

## ৩। তেওঁৰ সৈতে চলা



"তোমালোকে যেন সকলো আত্মিক জ্ঞান আৰু বুদ্ধিৰ সম্বন্ধে ঈশ্বৰৰ ইচ্ছাবিষয়ক তত্বজ্ঞানেৰে পৰিপূৰ্ণ হোৱা আৰু তেওঁৰ সেই তত্বজ্ঞানত বাঢ়ি, সকলো সৎকৰ্মত বলৱন্ত হৈ..." (কলচীয়া ১ঃ১০)।

আপুনি ঈশ্বৰৰ এটা পাত্ৰৰ দৰে পৰিৱৰ্তন হৈ এনে এটা জীৱন জীয়াই থাকক যিয়ে ঈশ্বৰক সন্তোষ দিয়ে। পাপীবিলাকৰ পথত নচলিব। ঈশ্বৰৰ তত্বজ্ঞানত বৃদ্ধি হওঁক। নিজকে ঈশ্বৰলৈ উৎসৰ্গিত কৰক। দুষ্কৰ্মৰ কাৰ্যবোৰ হোৱা ঠাইলৈ যাব নিদিব। যদি আপুনি যায়, এনে এটা দিন আহিব আপুনি ৰক্ষা পাবলৈ ঈশ্বৰলৈ ক্ৰন্দন কৰিব। আপুনি কান্দি থাকিব। গতিকে যেতিয়া ঈশ্বৰে আপোনাক সাৱধান কৰি দি আছে, আপুনি ঈশ্বৰৰ সৈতে চলিবলৈ শিকক। গীতমালা ১ঃ১ পদে স্পষ্টকৈ আমাক কয়, "যি মানুহে দুষ্টবোৰৰ আলচত নচলে, পাপীবোৰৰ পথত থিয় নহয় আৰু নিন্দকবোৰৰ আসনত নবহে সেই মানুহেই ধন্য।" যিজনে খ্ৰীষ্টক নাজানে তেওঁৰ কথা নুশুনিব। আপুনি মানুহৰ সৈতে চলিবলৈ নহয়, দুষ্টবোৰৰ লগত চলিবলৈ নহয়, জগতৰ লগত নহয় নতুবা আপোনাৰ বন্ধুবিলাকৰ লগত, কেৱল খ্ৰীষ্টৰ সৈতে চলক।

## ৪। আপোনাৰ বিশ্বাসত দৃঢ় হওঁক



পৰিস্থিতি ভাল বা বেয়া হওক, আমি বিশ্বাসত দৃঢ় হৈ থিয় হ'ব লাগে। পৰিস্থিতিবোৰ ভাল হৈ থকাৰ সময়ত আমি আমাৰ বিশ্বাসত দৃঢ় হৈ থাকিবলৈ সহজ হয়। সম্ভৱত তাত বিশ্বাসৰো প্ৰয়োজন নহ'ব। যেতিয়া আব্ৰাহাম অতি অসম্ভৱ পৰিস্থিতিত আছিল তেওঁ বিশ্বাসত স্তম্ভৰ দৰে থিৰ হৈছিল। তেওঁৰ বয়স যেতিয়া ৭৫ বছৰ হৈছিল ঈশ্বৰে তেওঁলৈ এটি পুত্ৰ দান কৰাৰ প্ৰতিজ্ঞা কৰিছিল

আৰু তেওঁৰ ৯৯ বছৰ হোৱালৈকে অপক্ষো কৰিছিল। তেওঁৰ খং নুঠিল। তেওঁ সম্পূৰ্ণ বিশ্বাসত ঈশ্বৰত ভাৰসা ৰাখিছিল। তেওঁ বিশ্বাস কৰিছিল যে ঈশ্বৰে যেতিয়া বিশেষভাৱে কিবা হ'ব বুলি কয় সেইটো নিশ্বয়ে হ'ব। গতিকে আপুনিও কিবা উদ্দেশ্য পূৰ্ণ হোৱাৰ সময়ত অকলে যদিও থাকিবলগীয়া হয় আপুনি দৃঢ় হৈ থাকিবলৈ শিকিব লাগে। ইয়াৰ বাবে আপোনাক আমন্ত্ৰিত কৰা হৈছে।

আজিৰ বন্ধুবিলাক কাইলৈ শত্ৰু হ'ব পাৰে। গতিকে আপোনাৰ বন্ধুসকলক বা টকাক বিশ্বাস নকৰিব। কেৱল ঈশ্বৰতহে বিশ্বাস কৰক। আপোনাৰ বিশ্বাস বজাই ৰাখিবলৈ এয়েই একমাত্ৰ পথ।

## ৫। বিশ্বাসত বৃদ্ধি হওঁক



আপুনি এতিয়া শিশুৰ দৰে হৈ থকা নাই। বিশ্বাসত বাঢ়ি যাওক। বিশ্বাসত আপুনি লৰচৰ নোহোৱা কাৰ্যবোৰ কৰক। আমি মহান কাৰ্যবোৰ কৰিব পাৰিব লাগে আৰু আমাৰ বিৰুদ্ধে অহা মন্দ শক্তিবোৰৰ ওপৰত জয়যুক্ত হ'ব লাগে। বাইবেলে অব্ৰাহাম, নোহ আৰু আমাৰ বহুত পূৰ্বপুৰুষক এইদৰে কয় যে তেওঁলোক বিশ্বাসত বৃদ্ধি হৈ গৈ আছে। তেওঁলোকে বিশ্বাসৰ মহান লোক হিচাবে পৰিণত হৈছিল।

"মই তোমালোকক অতি স্বৰূপকৈ কওঁ, মই যি যি কাৰ্য কৰোঁ, মোত বিশ্বাস কৰা জনেও তেনেকুৱা কাৰ্য কৰিব আৰু তাতকৈয়ো মহৎ মহৎ কাৰ্য কৰিব; কিয়নো মই পিতৃৰ ওচৰলৈ যাওঁ" (যোহন ১৪ ঃ ১২)।

প্ৰভুৰ বাবে, পাঁচ হাজাৰ মানুহৰ আহাৰ খুৱাবলৈ কেৱল দুটা মাছ আৰু পাঁচোটি পিঠাই যথেষ্ট আছিল। গতিকে এজনৰ বাবে কেৱল বিচাৰি যোৱাৰ প্ৰয়োজন নাই। তেওঁৰ অভাৱবোৰৰ পৰিপূৰ্ণ হ'ব। দিনৰ যি কষ্ট, দিনটোলৈ সেয়ে যথেষ্ট (মথি ৬ ঃ ৩৪)। যেতিয়া আপুনি বিশ্বাসত বৃদ্ধি হৈ গৈ আছে আপুনি তেতিয়া মহৎ কাৰ্যবোৰ কৰিব পাৰিব।

"তোমালোকে যে মোক মনোনীত কৰিলা, এনে নহয়, মইহে তোমালোকক মনোনীত কৰিলো, আৰু তোমালোকে যেন গৈ ফলৱন্ত হোৱা আৰু তোমালোকৰ ফল যেন থাকে, আৰু মোৰ নামেৰে পিতৃৰ আগত যি খুজিবা তাকে তেওঁ তোমালোকক যেন দিয়ে এই নিমিত্তে তোমালোকক নিযুক্ত কৰিলো" (যোহন ১৫ ঃ ১৬)।

অনুগ্ৰহ কৰি আপুনি নাভাবিব যে আপুনি ঈশ্বৰক মনোনীত কৰিছে। নহয়, আপুনি ঈশ্বৰক মনোনীত কৰা নাই; কিন্তু ঈশ্বৰে আপোনাক মনোনীত কৰিছে। গতিকে বিশ্বাসৰ যত্ন লওক।

❖❖❖❖❖

---

# এক নিৰ্জন জীৱন

নতুন নিয়ম "হাতপুথি"- ৰেভা ঃ ডিক উডৱাৰ্ড

এখন অজ্ঞাত গাঁৱত জন্ম লৈছিল। তেওঁ এগৰাকী কৃষক মহিলাৰ সন্তান আছিল।

তেওঁ ত্ৰিশ বছৰ বয়সলৈকে কাঠমিস্ত্ৰীৰ দোকানত কাম কৰিছিল আৰু তিনি বছৰ ধৰি দেশখনৰ চাৰিওফালে যাত্ৰা কৰিছিল। বহু দূৰ যাত্ৰা কৰাৰ পাছত তেওঁ তাতেই বৈ মানুহৰ লগত কথা পাতিছিল আৰু তেওঁলোকৰ কথা শুনিছিল আৰু য'ত সহায়ৰ প্ৰয়োজন হৈছিল তাত সহায় কৰিছিল।

তেওঁ কেতিয়াও এখনো পুস্তক লিখা নাছিল

তেওঁ কেতিয়াও সফল হোৱাৰ ৰেকৰ্ড নাছিল

তেওঁ কেতিয়াও কলেজলৈ যোৱা নাছিল

তেওঁ কেতিয়াও জনসাধাৰণৰ কাৰ্যালয় চলোৱা নাছিল

তেওঁ পৰিয়াল নাছিল বা এখন ঘৰো নাছিল

তেওঁ গৰিমা পাবলৈ কোনো কাৰ্য কৰা নাছিল

তেওঁৰ কোনো প্ৰশংসা পত্ৰ নাছিল কিন্তু তেওঁ নিজেই আছিল

কিন্তু যেতিয়া তেওঁৰ বয়স ৩৩ বছৰ হৈছিল, জনসাধাৰণৰ মতামতৰ জোৱাৰ তেওঁৰ বিৰুদ্ধে গ'ল, আৰু তেওঁৰ বন্ধুবিলাকে তেওঁক অস্বীকাৰ কৰিলে।

পৃথিৱীত যাত্ৰা কৰাৰ সময়ত মানুহৰ বিস্তৃত বৈচিত্ৰময় জীৱনবিলাকক স্পৰ্শ কৰিছিল। অধ্যাপক আৰু ফৰীচীবিলাকৰ লগত কথা পাতিছিল। তেওঁ ক'লে যে যি কৰতোলা আৰু বেশ্যাবিলাকে যোহন বাপ্তিস্মৰ প্ৰচাৰ শুনি নিজৰ পাপবোৰ স্বীকাৰ কৰিলে, তেওঁবিলাকৰ আগত তেওঁবিলাকেহে ঈশ্বৰৰ ৰাজ্যলৈ প্ৰৱেশ কৰিবলৈ গৈ আছে। তেওঁবিলাকলৈ কোৱা তেওঁৰ ধৰণটো এইধৰণৰ আছিল, "তোমাৰ 'আত্মিক মৰ্যদাৰ প্ৰতীকবোৰে' স্বৰ্গত তোমাৰ বাবে এটা স্থানৰ নিশ্চয়তা নিদিয়ে। তুমি যিদৰে তোমাৰ জীৱন জীয়াই আছা সেয়াই ইয়াকে বুজায় যে তোমালোকৰ জীৱনবোৰে ইয়াকে প্ৰদৰ্শন কৰিছে যে ঈশ্বৰ তোমালোকৰ ৰজা নহয়, আৰু তোমালোক তেওঁৰ বাধ্যৰ বিষয় নোহোৱা, যিজনে তেওঁৰ বাগিছাত পৰিশ্ৰম কৰে আৰু স্বৰ্গত যেনেকৈ পৃথিৱীতো তেওঁৰ ইচ্ছা পূৰ্ণ কৰে, তেনে তোমালোক নোহোৱা।

আন এটা ধাৰণা ইয়াত আছে, যিটো প্ৰত্যেক অভিজ্ঞ পালক সকলোলৈ স্পষ্টৰূপে আছে, কেতিয়াবা যিবিলাকে বাহ্যিকভাৱে পাপীবিলাকৰ দৰে দৃষ্টিগোচৰ হয়, এইটো তেওঁবিলাকৰ পেছাৰ দিশৰ পৰা চাবলৈ গ'লে হয়, কিন্তু তেওঁবিলাকে ধৰ্ম পেছাত বাহ্যিকভাৱে মহান পেছা, ধৰ্ম আৰু থিয়লজীৰ ওপৰত এটা অসাধাৰণ গুৰুত্ব দিয়ে। ডাঙৰ বিষয়টো বোধকৰো এইদৰে হ'ব পাৰে, "আপুনি সেই সিদ্ধান্তক বা পেছাক তৈয়াৰ কৰিছেনে? আপুনি মণ্ডলীত যোগদান কৰিছেনে বা সিদ্ধান্ত পত্ৰত চহী কৰিছে? আপুনি জানেনে আপুনি কি বিশ্বাস কৰিছে আৰু ৰাজ্যত থকাবিলাকৰ লগত ক'ত আপুনি প্ৰকৃততে অসন্মত হয় কিয়নো আপুনি প্ৰকৃততে যি বিশ্বাস কৰে তাক তেওঁবিলাকে বিশ্বাস নকৰে কিছুমান বিশ্বাসীবিলাকে ক'ব বিচাৰে যে মহাবিচাৰ থিয়'লজীৰ ওপৰত "শেষ পৰীক্ষা" ডাঙৰকৈ হ'ব। যীচুৱে আমাক কয়, যি হওক, কিন্তু মহাবিচাৰৰ বিষয়সমূহ এইদৰে হ'ব, ভোক লগাবিলাকক খাবলৈ দিছিলানে, নৰিয়াত পৰাবিলাকক আৰু বন্দীশালত থকাবিলাকক চাব গৈছিলানে, অতিথিবিলাকক আশ্ৰয় দিছিলানে, উদঙে থকাবিলাকক কাপোৰ দিছিলানে বা পিয়াহ লগাবিলাকক এগিলাচ পানী দিছিলানে (মথি ২৫ অধ্যায়)? তেওঁ আমাক পৰ্বতৰ ওপৰৰ পৰা কৈছিল যে, বিচাৰৰ সময়ত বহুতে তেওঁক, "হে প্ৰভু, হে প্ৰভু বুলিব," কিন্তু তেওঁ তেওঁবিলাকক তেওঁৰ পৰা দূৰ হ'বলৈ ক'ব, কিয়নো তেওঁ কেতিয়াও তেওঁবিলাকক জনা নাই আৰু তেওঁবিলাকে পিতৃৰ ইচ্ছা পালন কৰা নাছিল। পৰ্বতৰ ওপৰত আমাক

**THIS IS YOUR MINISTRY! PLEASE DO IT FOR GOD'S GLORY!! WE NEED MORE READERS !!!**

Please write below atleast 10 names, addresses, E.mail addresses and Cell Phone Numbers of your friends and relatives. We will send **Echo of His Call Magazine** to them as a gift from you each month freely.

1.______________________________

2.______________________________

3.______________________________

4.______________________________

5.______________________________

6.______________________________

7.______________________________

8.______________________________


# NEHEMIAH BIBLE COLLEGES Estd.:1992

ECHO OF HIS CALL 1969-2019 GOLDEN JUBILEE (ECHO GROUP)

## ECHO OF HIS CALL MINISTRIES (ESTD.: 1969)

**Recognised by the International Christian Leaders & Senior Pastors for the 50 Years!**

**Applied for ATA accreditation**

**RESIDENTIAL COLLEGE, Velachery**
**(Medium: English & Hindi)**
Course : Certificate Course / Diploma in Theology
Qualification : 10th Standard

**EVENING COLLEGE, Chepauk & Santhoshapuram**
**(Medium : Tamil)**
**Course** : Certificate Course / Diploma in Theology
*Monday, Tuesday & Thursday at 6.30 p.m. to 8.30 p.m.*
(Evening Classes - Chepauk)
Qualification : 10th Standard

**C.Th. - One Year**
**D.Th. - Two Years**

Classes Start on : 01-08-2021

Golden Opportunity! Don't miss!!

God is Calling you!!!

**For more Details & Application Forms Please Contact:**
**Pastor S. Sam Selva Raj, Founder - President**
**Nehemiah Bible College**
10, Mohammed Abdullah 2nd Street, Bells Road, Opp. Cricket Stadium, Chepauk, Chennai - 600 005, India.
**Phone : (+91-44) 2852 8282, 2852 9293, 2854 7766, Cell No : (+91) 98410 71852 95661 31858**
**E.Mail : sam@echoofhiscall.org / biblecor@yahoo.co.in Website : www.echoofhiscall.org / www.echoofhiscall.com**



# PIT TO PALACE গৰাহৰ পৰা ৰাজগৃহলৈ

(পালক এচ, চাম ছেলভা ৰাজৰ জীৱনৰ অভিজ্ঞতা)

**"যিজনে পঢ়ে, তেওঁ বুজক" মথি ২৪ ঃ ১৫**

"সেই কালত ইচ্‌হাকে সেই দেশত ধান বৈ, সেই একে বছৰতেই এশ গুণ পালে আৰু যিহোৱাই তেওঁক আশীৰ্বাদ কৰিলে" (আদি পুস্তক ২৬ ঃ ১২)।

**"নৰিয়াবিলাক সুস্থ কৰিবা, মৃতবিলাকক তুলিবা, কুষ্ঠ ৰোগীবিলাকক শুচি কৰিবা, ভূতবোৰক খেদাবা, বিনামূল্যে তোমালোকে পালা, বিনামূল্যেই দান কৰিবা" (মথি ১০:৮)**

অলপতে এজন গোড়াঁমী অখ্ৰীষ্টিয়ান যুৱকে মোৰ ওচৰলৈ আহি মোক ক'লে যে তেওঁৰ ৪০ বছৰীয়া মাতৃয়ে বহুতদিনৰ পৰা এটা ৰোগত ভোগী আছে আৰু তেওঁক আৰোগ্য কৰিবলৈ আমাৰ সকলো আত্মিক আৰু চিকিৎসাৰ প্ৰচেষ্টাত ব্যৰ্থ হৈছো। তেওঁ আৰু ক'লে যে তেওঁৰ মাতৃয়ে আধুনিক চিকিৎসাৰ ভ্ৰাতৃত্বৰ দ্বাৰায়ো সুস্থ নহ'ল, কিয়নো তেওঁলৈ দিয়া সকলো দৰৱ আৰু অস্ত্ৰোপ্ৰচাৰ ব্যৰ্থ হ'ল। এতিয়া খৰছ বহন কৰিবলৈ তেওঁলোকৰ হাতত ধন নাছিল। কিন্তু দিনক দিনে সেই মহিলাগৰাকীৰ কষ্ট বাঢ়ি গৈ আছিল। সেই যুৱকজনে মোক অনুৰোধ কৰি ক'লে যে, মই তেওঁৰ লগত চিকিৎসালয়ত গৈ তেওঁৰ মাতৃৰ বাবে প্ৰাৰ্থনা কৰিব লাগে।

যদিও মই মোৰ পৰিচৰ্য্যাত বহুত ব্যস্ত আছিলো, মই সময় উলিয়াই হস্পিতাললৈ গ'লো। তেওঁৰ স্বাস্থ্যৰ অৱস্থা অধিক বেয়া হোৱাৰ বাবে, মোক ৰোগীৰ কোঠাৰ ভিতৰলৈ যাবলৈ অনুমতি দিয়া নহ'ল, গতিকে তেওঁৰ আত্মীয়সকলক ক'লো যে, মই গীৰ্জাঘৰৰ পৰাই প্ৰাৰ্থনা কৰিম। কিন্তু তেওঁলোকে মোক সেই ঠাইৰ পৰা গুচি আহিবলৈ নিদিলে আৰু শিশুৰ দৰে কান্দিবলৈ আৰম্ভ কৰি দিলে আৰু মোক তাতেই ৰোগীজনলৈ স্বৰ্গীয় পিতৃৰ আৰোগ্যৰ বিশেষ স্পৰ্শৰ বাবে আৰু তেওঁলোকৰ ওপৰত ঈশ্বৰে দয়া কৰিবৰ বাবে প্ৰভু যীচুৰ নামত প্ৰাৰ্থনা কৰিবলৈ বাধ্য কৰালে।

অৱশেষত, মই তেওঁলোকৰ কথা ৰাখি আৰু সকলোকে এঠাইত গোট খুৱালো আৰু ঈশ্বৰৰ পৰা সাহস যোগালো আৰু প্ৰভু যীচুৱে কষ্ট, সমস্যা আৰু বিপদৰ সময়ত মানুহৰ জীৱনত যে কি কাৰ্য্য কৰিব পাৰে তাৰেই শিক্ষা দিলো। আমি সকলোৱেই মহিলাগৰাকীৰ আৰোগ্যৰ বাবে প্ৰাৰ্থনা কৰিলো। আমাৰ প্ৰাৰ্থনা শেষ কৰি চকুমেলাৰ লগে লগে মই দেখিলো যে এজন মানুহে তেওঁৰ সহকাৰীসকলক লগত লৈ আমাৰ ফালে আহি আছে। তেওঁ মোৰ ওচৰলৈ আহি মোক হাত মিলাই মনত পেলাই ক'লে যে পোন্ধৰ বছৰৰ আগতে তেওঁৰ পুত্ৰ অচিন ৰোগত পৰিছিল আৰু মোৰ প্ৰাৰ্থনাৰ যোগেদি তেওঁৰ ল'ৰাটি সুস্থতা লভিছিল আৰু তেওঁ মোক সুধিলে যে মই কিয় ইয়াত মানুহ বিলাকৰ মাজত থিয় হৈ আছো।

ততালিকে মই তেওঁক ব্যাখ্যা কৰি ক'লো যে এগৰাকী মহিলাক ইয়ালৈ আনিছো আৰু তেওঁ মৃত্যুৰ সৈতে যুঁজি আছে। তেওঁ মোক উত্তৰ দি ক'লে- "ভাই চাম, এই বিভাগত মই এজন মুখ্য চিকিৎসক হওঁ। তোমাৰ ৰোগী গৰাকী মোৰ সহকাৰীবিলাকৰ অধীনত চিকিৎসা পাই আছে। এতিয়া মই ব্যক্তিগতভাৱে তেওঁৰ ওচৰলৈ গৈ সোনকালে আৰোগ্য হ'বৰ বাবে কি কি উপযুক্ত চিকিৎসা ল'ব লাগে তাক নিজেই চাম"। তেওঁ আমাক চিন্তা নকৰিবলৈ কৈ ঘূৰি যাবলৈ ক'লে।

কেইদিনমানৰ পাছত এই পৰিয়ালে এটা ভাল খবৰ লৈ আহি মোক ক'লে যে সেই মানুহগৰাকীৰ অস্ত্ৰোপ্ৰচাৰ ভালে ভালে হৈ গ'ল আৰু অতিৰিক্ত চিকিৎসাও কৰা হ'ল আৰু এতিয়া তেওঁ সম্পূৰ্ণ সুস্থ। ঈশ্বৰে মোৰ প্ৰাৰ্থনা শুনিলে আৰু সেই মহিলাগৰাকীক চিকিৎসা কৰিবলৈ এজন উপযুক্ত চিকিৎসকক পঠিয়ালে। আমাৰ ত্ৰাণকৰ্তা প্ৰভু যীচুখ্ৰীষ্টৰ নামত যি আশীৰ্বাদ তেওঁলোকে পালে তাৰ বাবে তেওঁলোকে ঈশ্বৰক ধন্যবাদ জনালে আৰু বিশ্বাসো কৰিলে।

প্ৰিয় পঢ়ুৱৈ, সেই একেজনা ঈশ্বৰ আপোনাৰ বাবেও এতিয়া যথেষ্ঠ হৈ আছে। তেওঁলৈ উৎসৰ্গিত হওঁক আৰু তেওঁক আপোনাৰ প্ৰভু আৰু ত্ৰাণকৰ্তাৰূপে গ্ৰহণ কৰক। তেওঁ আপোনাক সহায়হীন কৰি নেৰিব আৰু তেওঁ নিশ্চয়ে আপোনাৰ ওচৰলৈ আহিব আৰু আপোনাৰ যত্ন ল'ব (যোহন ১৪:১৮)। ঈশ্বৰে আপোনাক আশীৰ্বাদ কৰক।

"যিকোনো জ্ঞানী, সি এই সকলো কথালৈ মন দিব..." (গীতমালা ১০৭:৪৩)

**"তোমালোকৰ সেই শোক আনন্দ হৈ যাব"। (যোহন ১৬:২০)**

**"যিকোনো জ্ঞানী, সি এই সকলো কথালৈ মন দিব..." গীতমালা ১০৭:৪৩**


## নহিমিয়া বাইবেল কলেজ চেন্নাই

### ৱাৰ্ডেন লাগে

আমাৰ নহিমিয়া বাসগৃহ বাইবেল কলেজৰ বাবে এজন ৱাৰ্ডেন লাগে আৰু তেওঁ হিন্দী আৰু ইংৰাজী জনা থিয়'ল'জীয়ান হ'ব লাগিব। দৰমহা, থকা, খোৱা-যোগোৱা হ'ব।

অনুগ্ৰহ কৰি যোগাযোগ কৰক

পালক, চাম ছেলভা ৰাজ

ম'বাইল ঃ (+91) 98412 71858 / 98410 71858

ই-মেইলঃ sam@echoofhiscall.org

RNI.No.TNASS/2000/2335, Postal Regn.No.TN/CH/(C)/204/21-23 WPP.No.TN/PMG(CCR)/WPP-262/21-23

তেওঁক যেতিয়া বন্দী কৰা হৈছিল বহুত কম মানুহে তেওঁৰ বাবে কিবা কৰিব বিচাৰিছিল। শুনানীৰ পাছত তেওঁক চৰকাৰে চোৰবিলাকৰ লগত শাস্তি দিলে। এজন দয়ালু বন্ধুৱে তেওঁৰ নিজৰ কবৰৰ মাটি ডোখৰ তেওঁলৈ দান কৰাৰ বাবে তেওঁক মৈদাম দিবলৈ এডোখৰ ঠাই পাইছিল। সেই সকলো ঘটনা বিশ শতিকাৰ আগতে ঘটিছিল আৰু আজিও তেওঁ মানৱ জাতিৰ শীৰ্ষস্থানীয় ব্যক্তি হৈ আছে আৰু প্ৰেমৰ চূড়ান্ত উদাহৰণ হৈ আছে।

এতিয়া ক'বলৈ গ'লে ইয়াক অতিৰঞ্জিত কোৱা নহ'ব যে, সমস্ত সেনাবাহিনী যিসকলে পদযাত্ৰা কৰিছিল সমস্ত জলসেনা বাহিনীবিলাকে যাত্ৰা কৰিছিল, সমস্ত শাসনকৰ্তাই শাসন কৰিছিল আৰু সমস্ত ৰজাবিলাকে এই পৃথিৱীত ৰাজত্ব কৰি — সেই সকলোকে একেলগে ৰাখি চাওঁক, তেওঁবিলাকে সেই নিৰ্জন জীৱন জনাৰ দৰে পৃথিৱীৰ মানুহক প্ৰভাৱিত কৰা নাই। (ফ্ৰেড বক)।

যীচুৱে দুহাজাৰ বছৰৰ আগেয়ে এই কৰি তোলা লোকবিলাকতকৈয়ো অধিক ঈশ্বৰৰ ৰাজ্যৰ ওচৰত থাকে।

যেতিয়া আমি এই ধাৰণাবোৰক আমাৰ আজিৰ সংস্কৃতিৰ লগত ব্যৱহাৰ কৰো, জীৱন আবেদনৰ ওপৰত গুৰুত্ব দিয়াক আমি পাওঁ আৰু ইয়াকে আমি শুনিব বিচাৰো। আজিৰ জাগতিক পৃথিৱীত পৰিচয় পত্ৰৰ ওপৰত এটা অসাধাৰণ গুৰুত্ব দিয়া হৈছে। যীচুৱে পৰিচয়ৰ বিৰোধ কৰা নাছিল, কিন্তু তেওঁ আমাক ইয়াত মনত পলাই দি ক'ব বিচাৰে যে পৰিচয় বা প্ৰশংসাবোৰ যোগ্যতা নহয়। পৰিচয়বোৰে কয় যে মই যোগ্য হওঁ, কিন্তু শেষত আমাৰ প্ৰদৰ্শনবোৰক আমাৰ অৱদানবোৰে ক'ব যে আমি যোগ্য হওঁ। সেই গতিকে এটা ভাল পুনৰাম্ভই আমাৰ পৰিচয়বিলাকৰ তালিকাক কেৱল প্ৰস্তুত কৰে আৰু কয় আমি যোগ্য হওঁ, কেৱল ইমানেই নহয়, কিন্তু আমাৰ "গতিপথ ৰেকৰ্ড" বা অভিজ্ঞতাক আঁকি উলিয়াই, যিয়ে আমাক সত্য বুলি প্ৰমাণ কৰে। প্ৰতিষ্ঠানিক খ্ৰীষ্টধৰ্ম জগতে বিশ্বাসৰ এইদৰে কোৱাৰ দ্বাৰাই তেওঁৰ শিক্ষা সমাপ্ত কৰে যে প্ৰদৰ্শনৰ অবিহনে আমাৰ পেছাটো এটি গৃহ মূলভেটিৰ অবিহনে থকাৰ দৰে হয়, কিন্তু প্ৰদৰ্শনৰ সৈতে আমাৰ পেছাটো থকাৰ দৰে হয়, কিন্তু প্ৰদৰ্শনৰ সৈতে আমাৰ পেছাটো শিলৰ ওপৰত ঘৰ সজা নিচিনা হ'ব যিয়ে জীৱনৰ ধুমুহাৰ সময়ত দৃঢ় হৈ থিৰে থাকিব।

যীচু এজন মহান শিক্ষক আছিল, আৰু তেওঁ শিক্ষাক অধিক গুৰুত্ব দিছিল। আমি আগেয়ে কোৱা শুভবাৰ্তাৰ প্ৰায় তিনিভাগতেই যীচুৰ শিক্ষাৰে পূৰ্ণ হৈ আছে। গতিকে তেওঁ অনুভৱ কৰিছিল যে আমি যি কৰিছো সেয়ে গুৰুত্বপূৰ্ণ হয়। ৰাজ্যৰ বিষয়ে প্ৰচাৰ কৰাৰ সময়ত তেওঁ অধিক গুৰুত্ব দিছিল। ইয়াত বোধকৰো তেওঁ উন্নুকিয়াই দিব বিচৰা বিষয়টি হৈছে যে অৱদান প্ৰদৰ্শনৰ অবিহনে প্ৰচাৰ কাৰ্যক বিপথে গমন কৰাৰ দৰে হ'ব।

❖❖❖❖❖


# ECHO OF HIS CALL

**Monthly magazines in 16 languages, Bible Colleges, Postal Courses, Church Planting, Village English High School, Gospel Printing Press, Crusades, Seminars, Social Services, etc.**

**Annual Subscription : Rs. 100/-** **Life Subscription : Rs. 2000/-**

The multifarious activities of **Echo of His Call Ministries** is supported by the free-will offerings and donations of the God's Children like you. You may support **Echo of His Call** and its activities as the Lord leads you. We need your help to send forth the Gospel to the unreached people and plant Churches.

If you would like to receive **ECHO OF HIS CALL** magazines regularly, please write to us. `Whenever you change your postal or E.mail addresses, please do inform us your old and new addresses.

**Echo of His Call** is available in 16 languages in our websites also. You can read them by going into the site as well as downloading them and get blessed.

Your letters, prayer requests and your financial helps (**Money Orders, Cheques or Demand Drafts, NEFT, PayPal (Sam Selva Raj, sam@echoofhiscall.org) PhonePe (98410 71858), Gpay (98410 71858), Western Union, MoneyGram**) to **ECHO OF HIS CALL** may please be sent to the address below.

Please send your **Land Phone / Mobile Phone Numbers and E.mail addresses** for updation.



**ECHO OF HIS CALL,** 10, Mohammed Abdullah 2nd Street, Chepauk, Chennai - 600 005, India
PH: (+91-44) 2852 8282, 2852 9293, 2854 7766, Cell: (+91) 98410 71852, 95661 31858 / E.mails: sam@echoofhiscall.org / biblecor@yahoo.co.in / Websites: www.echoofhiscall.org / www.echoofhiscall.com


**YOU CAN SEND YOUR DONATIONS BY ONLINE ALSO**


Regd. with the RNI under No. TNASS/2000/2335
Licenced to post without pre-payment
Postal Regn. No. TN/CH (C) /204/21-23
Licence No. WPP. No. TN/PMG(CCR)/WPP-262/21-23
Date of Publication: Second week of every month
Date of Posting : 11th & 12th of every month
Posted at "Egmore RMS / 1 Patrika Channel"
on 12th JUNE, 2021.
If un-delivered please return to:
ECHO OF HIS CALL (ASSAMESE)
P.O. Box No. 2957, Chepauk, Chennai - 600 005, INDIA.
Phone: (+ 91- 44) 2852 8282, 2852 9293, 2854 7766


*JESUS LOVES YOU!*

To

*GOD BLESS YOU!*

Owned and published by **S. Sam Selva Raj** from 10, Mohammed Abdullah Street, Chepauk, Chennai-600 005 and printed by him at **Echo of His Call Printers** 10, Mohammed Abdullah Street, Chepauk, Chennai-600 005. Editor: **S. Sam Selva Raj.**